**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-01-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ড'নাল্ড ট্ৰাম্পে আজি আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰিব।

২। ভাৰতৰ সহযোগত শ্ৰীলংকাৰ ছামপুৰত স্থাপিত ১৩৫ মেগাৱাট ক্ষমতাসম্পন্ন বৃহৎ সৌৰ শক্তি প্ৰকল্পটোৰ প্ৰতি ইউনিট শক্তিৰ মূল্য চূড়ান্ত কৰা হৈছে।

৩। জম্মু-কাশ্মীৰৰ জম্মুত থকা অসামৰিক সচিবালয়ত আজি ওমৰ আব্দুল্লা নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰী পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব।

৪। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

আৰু

৫। প্ৰথমবাৰলৈ অনুষ্ঠিত খো খো বিশ্বকাপৰ পুৰুষ আৰু মহিলা উভয় শাখাতেই চেম্পিয়নৰ খিতাপ অৰ্জন কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে।

০০০০০০০

ড'নাল্ড ট্ৰাম্পে আজি আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰিব। ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ৮ বজাত ৱাশ্বিংটনৰ কেপিটেল হিলত আমেৰিকাৰ মুখ্য ন্যায়াধীশ জন ৰবাৰ্টছে ৭৮ বছৰীয়া ড'নাল্ড জন ট্ৰাম্পক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰাব। অৱশ্যে বেয়া বতৰৰ আগজাননীৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠান ৱাশ্বিংটনৰ ৰতুনডা হলঘৰৰ ভিতৰত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে যোৱা বছৰৰ ৫ নৱেম্বৰত অনুষ্ঠিত নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পে তেওঁৰ প্ৰতিদ্বন্দ্বী কমলা হেৰিছক পৰাজিত কৰি দ্বিতীয় বাৰলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত বিশ্বৰ কেইবাগৰাকীও চৰকাৰপ্ৰধানে অংশগ্ৰহণ কৰিব। এইসকলৰ ভিতৰত আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলি, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং, হাংগেৰীৰ প্ৰধানমন্ত্ৰী ভিক্টৰ অৰ্বানো আছে। ভাৰতৰ হৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ এই শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। শপত গ্ৰহণ অনুষ্ঠানত বিশ্বৰ আগশাৰীৰ উদ্যোগপতি তথা টেচলাৰ স্বত্বাধিকাৰী এল'ন মাস্ক, এমাজনৰ স্বত্বাধিকাৰী জেফ বেজ'জ, ফে'চবুক বা মেটাৰ স্বত্বাধিকাৰী মাৰ্ক জুকাৰবাৰ্গ, এপ'ল'ৰ স্বত্বাধিকাৰী টিম কুকেও অংশগ্ৰহণ কৰিব। শপত গ্ৰহণ অনুষ্ঠানৰ পাছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে পৰম্পৰা অনুসৰি ৰাষ্ট্ৰক সম্বোধি ভাষণ দিব।

০০০০০০০০০

ভাৰতৰ সহযোগত শ্ৰীলংকাৰ ছামপুৰত স্থাপিত ১৩৫ মেগাৱাট ক্ষমতাসম্পন্ন বৃহৎ সৌৰ শক্তি প্ৰকল্পটোৰ প্ৰতি ইউনিট শক্তিৰ মূল্য চূড়ান্ত কৰা হৈছে। দুয়োখন দেশৰ মাজত শক্তি সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে ভাৰতৰ ৰাষ্ট্ৰীয় তাপ বিদ্যুৎ নিগম আৰু চিল'ন বিদ্যুৎ পৰিষদৰ যৌথ উদ্যোগত স্থাপিত ছামপুৰ সৌৰ শক্তি প্ৰকল্পৰ বিদ্যুতৰ মূল্য প্ৰতি কিলোৱাটত ৫ দশমিক ৯ - ৭ মাৰ্কিন ছে'ণ্ট নিৰ্ধাৰণ কৰা হৈছে।

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেই কালি কলম্বোত এখন জনসভাত এই বিষয়ে আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা কেইটামান বছৰত পুনৰ ব্যৱহাৰযোগ্য শক্তি উৎপাদনকাৰী দেশ হিচাপে বিশ্বত পৰিচিতি লাভ কৰা ভাৰতে চুবুৰীয়া দ্বীপ ৰাষ্ট্ৰখনক বহনক্ষম শক্তি উৎপাদনৰ অন্যতম কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰভূত সহযোগিতা আগবঢ়াইছে।

000000000–

জম্মু-কাশ্মীৰৰ জম্মুত থকা অসামৰিক সচিবালয়ত আজি ওমৰ আব্দুল্লা নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰী পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ অধ্যক্ষতাত হ'বলগীয়া এই বৈঠকত বিত্ত, শিক্ষা আৰু স্বাস্থ্য বিভাগৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা হ'ব। চৰকাৰী চাকৰিয়াল আৰু পেঞ্চনাৰসকলৰ মৰগীয়া বানচৰ সংশোধনী, দন্ত্য মহাবিদ্যালয়ৰ শিক্ষণ কৰ্মচাৰীৰ তিনি তৰপীয়া গাঁথনি ৰূপায়ণ আৰু ঝেলুম আৰু বান গংগা নদীৰ সংৰক্ষণৰ লেখীয়া পৰিৱেশৰ সৈতে জড়িত প্ৰকল্পসমূহৰ সন্দৰ্ভতো বিশেষ আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি জম্মু-কাশ্মীৰত সামগ্ৰী আৰু সেৱা কৰ আইন আৰু আবকাৰী আইন, ২০২৫-ৰ সংশোধনৰ লগতে শাসন ব্যৱস্থা আৰু জনকল্যাণৰ সৈতে জড়িত বিষয়সমূহক লৈও বৈঠকত আলোচনা কৰা হ'ব।

000000000

দেশৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ভাৰতীয় ডাক বিভাগে নতুন দিল্লীত তিনিদিনীয়া বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। ৰাষ্ট্ৰীয় ডাক টিকট সংগ্ৰহালয়ত আয়োজন কৰা এই কাৰ্যসূচীত জনসাধাৰণৰ মনত ৰাষ্ট্ৰীয় গৌৰৱ তথা একতাৰ মনোভাৱ জগাই তোলাৰ উদ্দেশ্যে প্ৰদৰ্শনী, কুইজ, চিঠি লিখা প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি এই কাৰ্যসূচী অনুষ্ঠিত হ'বলগীয়া সংগ্ৰহালয়টো পৰিদৰ্শন কৰে। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে দেশক উন্নতি আৰু সমৃদ্ধিৰ দিশে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানক প্ৰকৃত পথ প্ৰদৰ্শক ৰূপে অভিহিত কৰে। তেওঁ কয়, যে দেশৰ সংবিধানৰ লগতে ডাক-টিকট সংগ্ৰহ আৰু ভাৰতীয় ডাক সেৱাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলক এই সংগ্ৰহালয় পৰিদৰ্শনৰ বাবে অনা হৈছিল।

000000000

দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে মুঠ ৭১৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। নতুন দিল্লী বিধানসভা আসনখনৰ বাবে সৰ্বাধিক ২৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। পেটেল নগৰ আৰু কস্তুৰবা নগৰৰ আসন দুখনৰ বাবে ৫ গৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াই জনোৱা মতে মুঠ এহেজাৰ ৫২২ খন মনোনয়ন পত্ৰৰ ভিতৰত ৪৭৭ খন মনোনয়ন বাতিল হৈছে। দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত ভোটগ্ৰহণ আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত

ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। লগতে ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীয়েও ষ্টুডিঅ'ত উপস্থিত থাকি তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০০০

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাই ইয়াৰ সদস্যসকলৰ ব্যক্তিগত তথ্য পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া সৰল কৰি তুলিছে। সাৰ্বজনীন একাউণ্ট নম্বৰ আধাৰৰ জৰিয়তে সংযুক্ত কৰি বৈধ বিবেচিত সদস্যসকলে নিজৰ তথ্য যেনে জন্মৰ তাৰিখ, লিংগ, ৰাষ্ট্ৰীয়তা, পিতৃ-মাতৃৰ নাম, চাকৰিত যোগদান আৰু অৱসৰৰ তাৰিখ আদি তথ্যৰ প্ৰতিলিপি দাখিল নকৰাকৈ উন্নীত কৰিব পাৰে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ব্যৱস্থাই আবেদন বিবেচনাধীন হৈ ৩ লাখ ৯০ হাজাৰ সদস্যক উপকৃত কৰিব। মন্ত্ৰালয়ে লগতে কয়, যে কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাৰ তথ্য ভাণ্ডাৰত সংগৃহীত সদস্যসকলৰ ব্যক্তিগত তথ্যসমূহৰ শুদ্ধতা আৰু সামঞ্জস্য ৰক্ষা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণ ইয়াৰ দ্বাৰাহে নিয়াৰিকৈ সেৱা প্ৰদান কৰাটো সম্ভৱ হৈ উঠে। অৱশ্যে ২০১৭ চনৰ ১ অক্টোবৰৰ পূৰ্বে সাৰ্বজনীন একাউণ্ট নম্বৰ লাভ কৰা সকলৰ তথ্য উন্নীতকৰণৰ ক্ষেত্ৰত নিয়োগকৰ্তাৰ দ্বাৰা প্ৰত্যায়িতকৰণ নাইবা প্ৰমাণ পত্ৰ প্ৰদানৰ প্ৰয়োজন হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ৱাশ্বিংটন ডি চিত জাপানৰ বৈদেশিক মন্ত্ৰী তাকেছি ইৱায়াক সাক্ষাৎ কৰে। ছ'চিয়েল মিডিয়াৰ এটা পোষ্টযোগে ড০ জয়শংকৰে কয়, যে তেওঁলোকে তেওঁলোকৰ দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি আৰু কোৱাডৰ সৈতে জড়িত উন্নয়নৰ বিষয়ে আলোচনা কৰে। ড০ জয়শংকৰে অষ্ট্ৰেলিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পেনি ৱঙকো সাক্ষাৎ কৰে।

০০০০০০০০০

কেৰালাৰ বিধানসভাই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোকপ্ৰস্তাৱৰ আলোচনাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী পিনাৰায় বিজয়নে ড০ মনমোহন সিঙক এগৰাকী মেধাৱী অৰ্থনীতিবিদ আৰু মৃদুভাষী অথচ প্ৰকৃত দেশপ্ৰেমিক , ধৰ্মনিৰপেক্ষ মূল্যবোধক অতিশয় সন্মান কৰা এজন অসাধাৰণ ব্যক্তি বুলি অভিহিত কৰে। তেওঁ কয়, যে বাওঁপন্থীসকল ড০ সিং আৰু ইউ পি এ চৰকাৰৰ কিছুমান নীতিৰ সৈতে একমত নহ'লেও সাংবিধানিক মূল্যবোধ আৰু গণতান্ত্ৰিক ব্যৱস্থা ৰক্ষাৰ ক্ষেত্ৰত মনমোহন সিঙৰ স্থিতি প্ৰশংসনীয়। বিৰোধী দলৰ নেতা ভি.ডি. সথীচনে কয়, যে মনমোহন সিং আছিল ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক মূল্যবোধৰ সমৰ্থক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰশংসিত এজন অৰ্থনীতিবিদ। বিশ্ব মন্দাৱস্থাৰ মাজেতো ভাৰতবৰ্ষক সুস্থিৰ কৰি ৰখাত ড০ সিঙৰ ভূমিকা দেশবাসীয়ে সদায়ে মনত ৰাখিব বুলি তেওঁ মন্তব্য কৰে। বিধায়ক এ.এন. চামচিৰে , মনমোহন সিং ভাৰতত অৰ্থনৈতিক উদাৰীকৰণৰ সূচনা কৰা কেন্দ্ৰীয় বিত্তমন্ত্ৰী হিচাপে সদায়ে স্মৰণীয় হৈ ৰব বুলি মন্তব্য কৰে।

০০০০০০০০০

প্ৰথমবাৰলৈ অনুষ্ঠিত খো খো বিশ্বকাপৰ পুৰুষ আৰু মহিলা উভয় শাখাতেই চেম্পিয়নৰ খিতাপ অৰ্জন কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে। ভাৰতীয় পুৰুষ দলটোৱে ফাইনেলত নেপালক ৫৪-৩৬ পইণ্টৰ ব্যৱধানত আৰু মহিলা দলে নেপালকেই ৭৮-৪০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে প্ৰতিযোগিতাত অদমনীয় প্ৰদৰ্শনেৰে ভাৰতৰ পুৰুষ দলটোৱে গ্ৰুপ পৰ্যায়ত ব্ৰাজিল, পেৰু আৰু ভূটানক বৃহৎ ব্যৱধানত তথা কোৱাৰ্টাৰ ফাইনেলত বাংলাদেশক আৰু ছেমি ফাইনেলত শক্তিশালী দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰিছিল। ইপিনে মহিলা দলটোৱেও গ্ৰুপ পৰ্যায়ত দক্ষিণ কোৰিয়া, ইৰাণ আৰু মালয়েছিয়াক পৰাস্ত কৰাৰ উপৰি কোৱাৰ্টাৰ ফাইনেলত বাংলাদেশক আৰু ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু, ওড়িশাৰ ক্ৰীড়া মন্ত্ৰী সূৰ্যবংশী সূৰজকে ধৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি প্ৰতিযোগিতাৰ ফাইনেল খেল উপভোগ কৰিবলৈ উপস্থিত থাকে।

ভাৰতীয় দলৰ এই জয়ৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ মহিলা দলটোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই বিজয় ঐতিহাসিক বুলি অভিহিত কৰি ভাৰতৰ পৰম্পৰাগত খেল-ধেমালিৰ অধিক প্ৰচাৰ হোৱাৰ উপৰি ইয়াৰ জৰিয়তে যুৱ-প্ৰজন্ম যথেষ্ট উৎসাহিত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

সমাপ্ত